**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-05-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

-----------------------------

১। দেশত পঞ্চম, ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে ব্যাপক প্ৰচাৰ অভিযান অব্যাহত আছে। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি মহাৰাষ্ট্ৰত প্ৰচাৰ চলাব।

২। বিজেপি নেতা অমিত শ্বাহ আৰু কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে আজি ওড়িশাত নিজ নিজ দলৰ প্ৰাৰ্থীসকলৰ সমৰ্থনত কেইবাখনো নিৰ্বাচনী সমাবেশ আৰু ৰোড শ্ব'ত ভাগ ল'ব।

৩। বিধি বলৱৎকাৰী সঞ্চালকালয়ে আবকাৰী নীতি কেলেংকাৰি সংক্ৰান্তীয় গোচৰত আম আদমী পাৰ্টীক সহ অভিযুক্ত কৰা হ'ব বুলি দিল্লী উচ্চ ন্যায়ালয়ক অৱগত কৰিছে

৪। ভাৰতীয় বায়ুসেনা বাহিনীয়ে জৰুৰীকালীন সময়ত খৰতকীয়াকৈ স্বাস্থ্যসেৱা প্ৰদানৰ উদ্দেশ্যে আগ্ৰাত থলুৱা ভ্ৰাম্যমান চিকিৎসালয় ভীষ্ম কিউবৰ পৰীক্ষণ সম্পন্ন কৰিছে।

**আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ আৰু পাঞ্জাব কিংছ মুখামুখি হ'ব।

০০০০০০

দেশত পঞ্চম, ষষ্ঠ আৰু সপ্তম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে ব্যাপক প্ৰচাৰ অভিযান অব্যাহত আছে। পঞ্চম পৰ্যায়ত ২০ মে'ত ৪৯টা লোকসভা সমষ্টিত ভোটগ্ৰহণ কৰা হ'ব। ২৫ মে'ত ষষ্ঠ পৰ্যায়ত ৫৭টা আৰু ১ জুনত সপ্তম পৰ্যায়ত ৫৭টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। জ্যেষ্ঠ বিজেপি নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে আজি মহাৰাষ্ট্ৰত প্ৰচাৰ চলাব। শ্ৰীমোদীয়ে দিন্দ'ৰী আৰু কল্যাণত নিৰ্বাচনী সমাবেশত অংশ লোৱাৰ লগতে বিয়লি মুম্বাইৰ ঘাটকোপাৰত এটা ৰোড শ্ব'ত ভাগ ল'ব। এল বি এছ মাৰ্গৰ শ্ৰেয়াছ চিনেমাৰ পৰা আৰম্ভ হ'বলগীয়া ২ দশমিক ৫ কিলোমিটাৰ দৈৰ্ঘ্যৰ এই ৰোড শ্ব'ৰ সামৰণি পৰিব গান্ধী মাৰ্কেটত। মুম্বাইৰ উত্তৰ-পূব সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা বিজেপি প্ৰাৰ্থী মিহিৰ কোটেছাৰ প্ৰচাৰৰ অংশ হিচাপে এই ৰোড শ্ব'ৰ আয়োজন কৰা হৈছে।

বিজেপি নেতা অমিত শ্বাহ আৰু কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে আজি ওড়িশাত নিজ নিজ দলৰ প্ৰাৰ্থীসকলৰ সমৰ্থনত কেইবাখনো নিৰ্বাচনী সমাবেশ আৰু ৰোড শ্ব'ত ভাগ ল'ব। বিজেপি নেতা শ্ৰীশ্বাহে কান্ধামাল সংসদীয় সমষ্টিৰ অন্তৰ্গত বৌধত আৰু আস্কা লোকসভা আসনৰ অন্তৰ্গত চ'ৰাডাত নিৰ্বাচনী জনসভাত ভাষণ দিয়াৰ পাছত কটকত এটা ৰোড শ্ব'ত ভাগ ল'ব। আনফালে ৰাহুল গান্ধীয়ে বলংগীৰত নিৰ্বাচনী সভা সম্বোধন কৰাৰ লগতে মটৰ চাইকেল সমদলত অংশ ল'ব। উল্লেখযোগ্য যে ওড়িশাত এইবাৰ লোকসভা নিৰ্বাচনৰ সমান্তৰালভাৱে ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণো কৰা হ'ব।

বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাই কালি উত্তৰ প্ৰদেশৰ আমেঠিত আয়োজিত এখন জনসভাত অংশ লোৱাৰ বিপৰীতে কংগ্ৰেছৰ দলৰ ৰাষ্ট্ৰীয় সভাপতি মল্লিকাৰ্জুন খাৰ্গেই কালি উত্তৰ প্ৰদেশৰ মহাৰাজগঞ্জ

আৰু গোৰখপুৰৰ সমীপৰ চৌৰি-চৌৰাত আয়োজিত জনসভাত অংশগ্ৰহণ কৰে। নিজৰ ভাষণত শ্ৰীখাৰ্গেই কয় যে, কংগ্ৰেছ নেতৃত্বাধীন আই এন ডি আই মিত্ৰজোঁট ক্ষমতালৈ আহিলে কৃষকৰ ঋণ ৰেহাই দিয়াৰ লগতে কৃষি খণ্ডৰ পৰা জি এছ টি আঁতৰোৱা হ'ব। একেদৰে কংগ্ৰেছ দলৰ নেত্ৰী প্ৰিয়ংকা গান্ধী ৱাদ্ৰাই কালি উত্তৰ প্ৰদেশৰ আমেঠিত জনসভাত অংশগ্ৰহণ কৰি প্ৰচাৰ অভিযান চলায়। ইপিনে আম আদমী পাৰ্টীৰ নেতা অৰবিন্দ কেজৰিৱালে হাৰিয়ানাৰ কুৰুক্ষেত্ৰত এটা ৰোড শ্ব'ত অংশ লয়।

সমাজবাদী পাৰ্টীৰ সভাপতি অখিলেশ যাদৱে কংগ্ৰেছৰ নেতা ৰাহুল গান্ধীৰ সৈতে কালি ঝাছিত কংগ্ৰেছ প্ৰাৰ্থী প্ৰদীপ জৈনৰ হকে যুটীয়াভাৱে নিৰ্বাচনী সভাত ভাষণ দিয়ে।

বিহাৰতো প্ৰচাৰ পূৰ্ণ গতিত অব্যাহত আছে। বিজেপি, জে দি ইউ, লোকজনশক্তি পাৰ্টী ৰামৱিলাস, হিন্দুস্তানী আৱাম মৰ্চা, আৰু ৰাষ্ট্ৰীয় মৰ্চাৰ নেতাসকলে ৰাজ্যখনৰ ঠায়ে ঠায়ে কালি এন ডি এ প্ৰাৰ্থীৰ হকে প্ৰচাৰত ভাগ লয়। ৰাজ্যখনৰ প্ৰাক্তন উপ মুখ্যমন্ত্ৰী সুশিল কুমাৰ মোদীৰ মৃত্যুৰ পৰিপ্ৰেক্ষিতত বিজেপিৰ তাৰকা প্ৰচাৰকসকলে নিজৰ কাৰ্যসূচী বাতিল কৰে। আৰ জে ডিৰ নেতা তেজশ্বী প্ৰসাদ যাদৱ, বিকাশশীল ইনচান পাৰ্টীৰ মুৰব্বী মুকেশ সাহানীয়েও কালি বিভিন্ন সমষ্টিত মহা মিত্ৰজোটৰ হৈ প্ৰচাৰ চলায়। কংগ্ৰেছৰ নেতাসকলে কালি ৰাজ্যখনৰ বিভিন্ন প্ৰান্তত ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে প্ৰচাৰত ব্ৰতী হয়।

দিল্লীৰ ৭টা লোকসভা সমষ্টিতো প্ৰচাৰ অভিযান ক্ৰমাৎ তীব্ৰতৰ হৈ উঠিছে। বিজেপিৰ নেতা তথা মধ্য প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী শিৱৰাজ সিং চৌহানে কালি উত্তৰ-পূব দিল্লী সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱা বিজেপি প্ৰাৰ্থী মনোজ তিৱাৰীৰ হকে কমলা নগৰ এলেকাত এখন নিৰ্বাচনী সভাত ভাগ লয়।

বিজেপিৰ জ্যেষ্ঠ নেতা তথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাইও কালি ৰাষ্ট্ৰীয় ৰাজধানী দিল্লীৰ লক্ষ্মীনগৰ এলেকাত পূব দিল্লী সংসদীয় সমষ্টিৰ দলীয় প্ৰাৰ্থী হৰ্ষ মালহোট্ৰাৰ হৈ প্ৰচাৰ চলায়। আনহাতে আম আদমী পাৰ্টীৰ নেতা তথা ৰাজ্যসভাৰ সাংসদ সঞ্জয় সিঙে পশ্চিম লোকসভা আসনৰ দলীয় প্ৰাৰ্থীগৰাকীৰ হৈ এখন নিৰ্বাচনী সভাত ভাষণ দিয়ে।

০০০০০০

উত্তৰ প্ৰদেশৰ লক্ষ্ণৌত আজি আই এন ডি আই মিত্ৰজোঁটে এখন সংবাদমেল অনুষ্ঠিত কৰে। কংগ্ৰেছ দলৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে আৰু সমাজবাদী পাৰ্টীৰ মুৰব্বী অখিলেশ সিং যাদৱৰ লগতে দুয়োটা দলৰ কেইবাগৰাকী নেতা সংবাদমেলখনত উপস্থিত থাকে। সংবিধান আৰু গণতন্ত্ৰ ৰক্ষাৰ বাবে ২০২৪ চনৰ নিৰ্বাচন অতি গুৰুত্বপূৰ্ণ বুলি কংগ্ৰেছ সভাপতিগৰাকীয়ে ব্যক্ত কৰে। শ্ৰীখাৰ্গেই অভিযোগ কৰি কৈছে যে, চৰকাৰী পদসমূহ খালী হৈ থকাৰ পাছতো শিক্ষিত যুৱক-যুৱতীসকলে চৰকাৰী চাকৰি পোৱা নাই। সমাজবাদী পাৰ্টীৰ নেতা অখিলেশ যাদৱে, আই এন ডি আই মিত্ৰজোঁটৰ নিৰ্বাচনী ইস্তাহাৰত প্ৰকাশ কৰা অনুসৰি তেওঁলোক ক্ষমতালৈ আহিলে চৰকাৰী পদসমূহ পূৰণ কৰি শিক্ষিত যুৱক-যুৱতীক চাকৰি প্ৰদান কৰিব বুলিও মন্তব্য কৰে।

০০০০০০

বিধি বলবৎকাৰী সঞ্চালকালয়ে, দিল্লী উচ্চ ন্যায়ালয়ক আবকাৰী নীতি কেলেংকাৰি সংক্ৰান্তীয় গোচৰত আম আদমী পাৰ্টীক সহ অভিযুক্ত কৰা হ'ব বুলি অৱগত কৰিছে। এই গোচৰত দলটোৰ মুৰব্বী তথা দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালকে ধৰি তিনিজন মূল নেতাক কাৰাগাৰত বন্দী কৰা হৈছে। এইবাৰ প্ৰথমবাৰৰ বাবে এনেদৰে কোনো এটা ৰাজনৈতিক দলক যিকোনো গোচৰত অভিযুক্ত কৰা হ'ব। তদন্তকাৰী সংস্থাটোৱে

আপৰ নেতা তথা দিল্লীৰ প্ৰাক্তন উপ মুখ্যমন্ত্ৰী মনীষ ছিছ'দিয়াৰ জামিন আবেদনৰ শুনানি গ্ৰহণ কৰি থকা আদালতত জনাই যে গোচৰটোৰ সন্দৰ্ভত পৰিপূৰক অভিযোগনামা দাখিল কৰা হ'ব আৰু তাত দলৰ নাম উল্লেখ থাকিব। বিধি বলৱৎকাৰী সঞ্চালকালয়ে এই কেলেংকাৰি সন্দৰ্ভত অবৈধ ধনৰ সৰবৰাহৰ দিশটো তদন্ত কৰি আছে। উল্লেখযোগ্য যে উচ্চতম ন্যায়ালয়ে লোকসভা নিৰ্বাচনৰ প্ৰচাৰৰ বাবে শ্ৰীকেজৰিৱালৰ অন্তৰ্বৰ্তী জামিন মঞ্জুৰ কৰাৰ কেইদিনমানৰ পাছতেই এই পদক্ষেপ গ্ৰহণ কৰা হৈছে। যোৱা বছৰৰ অক্টোবৰত আপক অভিযুক্ত কৰা সন্দৰ্ভত উচ্চতম ন্যায়ালয়ত প্ৰশ্ন উত্থাপন হৈছিল। তদন্তকাৰী সংস্থাটোৱে সুৰা নীতি গোচৰত লাভান্বিত হোৱা ৰাজনৈতিক দলৰ নাম কিয় অন্তৰ্ভুক্ত কৰিব নোৱাৰি বুলি প্ৰশ্ন উত্থাপন কৰিছিল।

000000

ভাৰতীয় বায়ুসেনা বাহিনীয়ে আগ্ৰাত থলুৱা ভ্ৰাম্যমান চিকিৎসালয় ভীষ্ম কিউবৰ পৰীক্ষণ সম্পন্ন কৰিছে। কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী মনসুখ মন্দাভিয়াই কৈছে যে, জৰুৰীকালীন সময়ত যিকোনো ঠাইতে খৰতকীয়াকৈ স্বাস্থ্যসেৱা প্ৰদানৰ ক্ষেত্ৰত এনে উদ্ভাৱনীমূলক প্ৰযুক্তি এটা বৃহৎ সফলতা। এই ভীষ্ম প্ৰকল্পৰ যোগেদি কমেও ২০০ জন লোকক স্বাস্থ্য সেৱা আগবঢ়াব পৰা যাব।

000000

এইমছ্ নতুন দিল্লীয়ে ইউনিভাৰচিটী অৱ ব'ল্টন ইনষ্টিটিউট অফ মেডিচিনৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰি চিকিৎসা গৱেষণা, উদ্ভাৱন আৰু শিক্ষাৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াইছে। এইমছ্ কৰ্তৃপক্ষই এটা বিবৃতিযোগে জনাইছে যে এই বুজাবুজিৰ চুক্তিয়ে দুয়োখন প্ৰতিষ্ঠানৰ কৰ্মচাৰী আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অহা যোৱা, শৈক্ষিক সন্মিলন আৰু সহযোগিতামূলক ডিগ্ৰী কাৰ্যসূচীৰ দৰে বিভিন্ন পদক্ষেপ সামৰি ল'ব। এই চুক্তিখনক মাইলৰ খুঁটি হিচাপে প্ৰশংসা কৰি এইমছৰ সঞ্চালক প্ৰফেছাৰ এম শ্ৰীনিবাসে কৈছে যে, ইয়াৰ দ্বাৰা প্ৰতিষ্ঠান দুখনে গোলকীয় প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰিব পাৰিব আৰু সমগ্ৰ বিশ্বক বিভিন্ন ক্ষেত্ৰত পৰামৰ্শ দিয়াত সফল হ'ব।

000000

লোকসভা নিৰ্বাচনৰ সপ্তম তথা অন্তিম পৰ্যায়ৰ বাবে মনোনয়ন দাখিল প্ৰক্ৰিয়াৰ কালি সামৰণি পৰে। মনোনয়নসমূহ আজি পৰীক্ষা কৰা হ'ব আৰু শুকুৰবাৰ মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন হ'ব। এই পৰ্যায়ত সাতখন ৰাজ্য আৰু এটা কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৫৭টা সমষ্টি সামৰি লোৱা হ'ব।

বিভিন্ন ৰাজনৈতিক দলৰ কেইবাগৰাকীও আগশাৰীৰ নেতাই কালি মনোনয়ন-পত্ৰ দাখিল কৰে। প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোডীয়ে কালি বাৰাণসী লোকসভা সমষ্টিৰ পৰা মনোনয়ন পত্ৰ দাখিল কৰে। কংগ্ৰেছে মোডীৰ বিৰুদ্ধে পুনৰ অজয় ৰায়ক প্ৰাৰ্থিত্ব প্ৰদান কৰিছে। বিজেপি প্ৰাৰ্থী কংগনা ৰাণাৱটেও হিমাচল প্ৰদেশৰ মন্দী সমষ্টিৰ পৰা মনোনয়ন দাখিল কৰে। এই আসনখনৰ পৰা কংগ্ৰেছৰ বিক্ৰমাদিত্য সিঙে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। কংগ্ৰেছ নেতা মনীষ তিৱাৰীয়েও চণ্ডীগড় আসনৰ পৰা মনোনয়ন দাখিল কৰিছে। সমষ্টিটোত বিজেপিয়ে সঞ্জন টেণ্ডনক প্ৰক্ষেপ কৰিছে।

000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি গুৱাহাটীত হ'বলগীয়া এখন খেলত ৰাজস্থান ৰয়েলছ আৰু পাঞ্জাব কিংছ মুখামুখি হ'ব। বৰ্তমানলৈকে ১৬ পইণ্ট অৰ্জন কৰা ৰাজস্থান ৰয়েলছে আজিৰ খেলখনত জয়লাভ

কৰি প্লে অফ পৰ্যায়ত স্থান নিশ্চিত কৰাৰ চেষ্টা চলাব। উল্লেখযোগ্য যে পাঞ্জাব কিংছ ইতিমধ্যে প্ৰতিযোগিতাৰ প্লে অফ পৰ্যায়ৰ দৌৰৰ পৰা বাহিৰ হৈছে।

আনফালে দেলহি কেপিটেলছে যোৱা নিশা নতুন দিল্লীৰ অৰুণ জেটলি ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ১৯ ৰাণত পৰাস্ত কৰে। খেলখনত দেলহি কেপিটেলছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৪টা উইকেটৰ বিনিময়ত ২০৮ ৰাণ কৰে। প্ৰত্যুত্তৰত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ২০ অভাৰত ৯টা উইকেট হেৰুৱাই ১৮৯ ৰাণহে কৰিবলৈ সমৰ্থ হয়। দেলহি কেপিটেলছ কালিৰ জয়ৰ সুবাদত প্ৰতিযোগিতাৰ পইণ্ট তালিকাত পঞ্চম স্থানলৈ উন্নীত হৈছে। দলটোৱে এইবাৰৰ ১৪খন খেলৰ ৭খনত জয়লাভ কৰি ১৪ পইণ্ট অৰ্জন কৰিছে। আনহাতে, লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে বৰ্তমানলৈ খেলা ১৩খন খেলৰ ৬খনত জয়লাভ কৰি ১২ পইণ্টেৰে পইণ্ট তালিকাৰ সপ্তম স্থানত আছে।

oooooo

সমাপ্ত